কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : তাৰিখ :
*Ref :* *Date :*

### Silpi Divas Observed at Assam Jatiya Bidyalay

**Guwahati, 17 January, 2019 :** Silpi Divas was observed today at Assam Jatiya Bidyalay, Noonmati to pay tribute to Jyotiprasad Agarwala on his 68th death anniversary. The programme was started with the lighting of the ceremonial lamp and garlanding the portrait of Rupkonwar Jyotiprasad Agarwala, by the President of the management committee of the school Dilip Kumar Dutta Choudhury. In the welcome speech the Principal Ghanashyam Medhi paid tribute to all the famous personalities who contributed in the field of Assamese culture. A student of class XI Sampurna Batsayan spoke on the significance of observing Silpi Divas. Jyotiprasad Agarwala's two of the daughters Mrs. Gyanashree Pathak and Mrs. Satyashree Das were present as the chief guests. Gyanashree Pathak cherished some childhood memories related to their father, Jyotiprasad and also her memories regarding the first Assamese motion picture 'Joymoti'. Satyashree Das reflected on how her father Jyotiprasad collected the melody from the Assamese folk songs and imbibed them on his lyrics to create the evergreen 'Jyoti Sangeet' along with her unforgettable childhood memories at Tamolbari Tea Garden. Sudipta Choudhury, a teacher of Assamese department delivered a speech entitled 'Jyotiprasadar Geetor Eti Abolokan'. Several other cultural programmes were presented on stage by the students of the school. At the end Aparajita Bora, Vice Principal of the school delivered the vote of thanks. Senior teacher of the department of Social Science, Mrs. Aparna Devi was the convenor of the programme.

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

**অসম জাতীয় বিদ্যালয়ত শিল্পী দিৱস উদ্‌যাপন**

**নুনমাটি, ১৭ জানুৱাৰি, ২০১৯ :** আধুনিক অসমীয়া সংস্কৃতিৰ অন্যতম বাটকটীয়া ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৬৮তম মৃত্যু দিনত ‘শিল্পী দিৱস’ আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়তো উদ্‌যাপন কৰা হয়। বিগত বৰ্ষবোৰৰ দৰে এই বৰ্ষতো মহান শিল্পীগৰাকীৰ সৃষ্টিৰাজিক নতুন প্ৰজন্মৰ সৈতে চিনাকি কৰি দিয়াৰ উদ্দেশ্যে অসম জাতীয় বিদ্যালয়ে এই দিৱসৰ আয়োজন কৰে। পুৱা ৯.৫৫ বজাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে। অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণি ভাষণ আগবঢ়োৱাৰ পাছতে দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰী সম্পূৰ্ণা বাৎসায়নে। শিল্পী দিৱসৰ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে আগৰৱালাদেৱৰ দুগৰাকী দুহিতা শ্ৰীযুতা জ্ঞানশ্ৰী পাঠক আৰু শ্ৰীযুতা সত্যশ্ৰী দাস। মহান শিল্পীগৰাকীৰ দুই সুযোগ্যা জীয়াৰীয়ে পিতৃৰ সান্নিধ্যৰ কথা সুঁৱৰি ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ জ্যোতিপ্ৰসাদৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত শিক্ষাৰ্থীসকলে জ্যোতিপ্ৰসাদৰ গীতৰ আধাৰত আলেখ্য, নৃত্য, গীত আদি পৰিৱেশন কৰাৰ লগতে ‘জ্যোতিপ্ৰসাদৰ গীতৰ এটি অৱলোকন’ শীৰ্ষক বিষয়ত বক্তৃতা আগবঢ়ায় অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী সুদীপ্তা চৌধুৰীয়ে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰাই। ‘শিল্পী দিৱস’ৰ অনুষ্ঠানৰ সামগ্ৰিক দায়িত্বত আছিল বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭